
# পাঠ ঃ ১৩
# প্ৰাক্ ঐতিহাসিক অসম

**মূল অৰ্হতা ঃ**

- পুৰণি কামৰূপ সম্পৰ্কে থকা আখ্যান আৰু কিংবদন্তিসমূহৰ বিষয়ে ধাৰণা লাভ কৰা।
- আখ্যান, কিংবদন্তি আৰু ইতিহাসৰ মাজত থকা পাৰ্থক্য বুজি পোৱা।
- পুৰণি কামৰূপৰ ভৌগোলিক অৱস্থিতি জনা।
- কামৰূপত ৰাজত্ব কৰা উল্লেখযোগ্য ৰাজবংশসকলৰ বিষয়ে জনা।
- পুৰণি কামৰূপৰ ঐতিহাসিক সমলসমূহৰ বিষয়ে ধাৰণা লাভ কৰা।
- পুৰণি কামৰূপৰ আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে অৱগত হোৱা।

কামৰূপ বুলিলে আমি সকলোৱে অসমৰ এখন জিলাহে বুজোঁ; য'ত আমাৰ ৰাজ্যখনৰ ৰাজধানী দিছপুৰ অৱস্থিত। বৰ্তমান কামৰূপ জিলাখন পুনৰ দুটা ভাগত ভাগ কৰা হৈছে। পিছে, এটা সময়ত এই অঞ্চলৰ মূল ৰাজ্যখনেই কামৰূপ নামেৰে জনাজাত আছিল। তাতোকৈ আগত ৰাজ্যখনৰ নাম প্ৰাগ্‌জ্যোতিষ আছিল। প্ৰাগজ্যোতিষপুৰ এই ৰাজ্যৰ ৰাজধানী আছিল। অতি উচ্চমানৰ জ্যোতিষ চৰ্চাৰ কেন্দ্ৰ আছিল বাবে এই ঠাইখন প্ৰাগজ্যোতিষপুৰ নামে প্ৰসিদ্ধ আছিল। বৰ্তমান গুৱাহাটীৰ চিত্ৰাচল পাহাৰত থকা নৱগ্ৰহ মন্দিৰে এতিয়াও প্ৰমাণ কৰে যে পুৰণি কালত এই নগৰত জ্যোতিষ চৰ্চা কৰা হৈছিল। কামৰূপ নামটোৰ উল্লেখ পুৰণি সাহিত্য যেনে— পুৰাণ, বৌদ্ধ ধৰ্মশাস্ত্ৰ আৰু গুপ্তৰাজত্ব কালৰ এলাহাবাদ প্ৰশস্তিত পোৱা যায়।





*মানচিত্ৰ ঃ ১৩.১* **পুৰণি কামৰূপ ৰাজ্য**

## ভৌগোলিক সীমা ঃ

প্ৰাচীন কালত কামৰূপ ৰাজ্যখনৰ সীমা ক'লৈকে বিস্তৃত হৈ আছিল তাৰ বিষয়ে তোমালোকৰ জানিবলৈ মন নাযায়নে? তোমালোকে হয়তো ইতিমধ্যে ৰামায়ণ আৰু মহাভাৰত এই দুখন মহাকাব্যৰ নাম শুনিছা। এই মহাকাব্য কেইখন আজিৰ পৰা আনুমানিক প্ৰায় ৩০০০ মান বছৰ আগতে ক্ৰমে বাল্মীকি আৰু বেদব্যাস নামৰ দুজন মুনিয়ে ৰচনা কৰিছিল। এই মহাকাব্য দুখনত তাহানিৰ কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে কৰতোয়া নদী (বৰ্তমান বাংলাদেশ) আৰু দক্ষিণে বঙ্গোপ সাগৰলৈকে বিস্তাৰিত হৈ আছিল বুলি উল্লেখ কৰা আছে। আনহাতে পৰৱৰ্তী সময়ছোৱাত ৰচিত যোগিনী তন্ত্ৰ মতে পুৰণি কামৰূপ ৰাজ্যখন চাৰিভাগত বিভক্ত আছিল। এই ভাগকেইটা হ'ল— **ৰত্নপীঠ** (পূৰ্ববঙ্গৰ কৰতোয়া নদীৰ পৰা সোণকোষ নদীলৈ), **কামপীঠ** (সোণকোষ নদীৰ পৰা ৰূপহী নদীলৈ), **স্বৰ্ণপীঠ** (ৰূপহী নদীৰ পৰা ভৰলী নদীৰ সীমালৈ) আৰু **সৌমাৰপীঠ** (ভৰলী নদীৰ পৰা দিক্‌ৰাই নদীলৈ)। প্ৰথম পৃষ্ঠাৰ ১৩.১ মানচিত্ৰখনত পুৰণি কামৰূপৰ সীমা তথা ঠাইসমূহ চাই লোৱা।

## কামৰূপ আৰু সমসাময়িক ৰাজ্য ঃ

কোনো এখন ঠাইৰ উৎপত্তি বা সৃষ্টিৰ আঁৰত আখ্যান, কিংবদন্তি আদি জড়িত হৈ থাকে। আমাৰ ৰাজ্যখনৰ নাম কামৰূপ হোৱাৰ অন্তৰালতো কিছুমান আখ্যান মুখে মুখে বহু বছৰ ধৰি চলি আহিছে। তেনে এক আখ্যান মতে এবাৰ হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ ইষ্ট দেৱতা শিৱ ঘোৰ তপস্যাত নিমগ্ন আছিল। তেতিয়া প্ৰেমৰ দেৱতা কামদেৱে নাৰীৰ বেশেৰে আহি মহাদেৱৰ তপস্যা ভঙ্গ কৰিছিল। তাতে মহাদেৱ ক্ৰোধান্বিত হৈ কামদেৱক পুৰি ভস্ম কৰি পেলাইছিল। কিন্তু কামদেৱৰ পত্নী ৰতিদেৱীৰ অনুনয়-বিনয়ত সন্তুষ্ট হৈ মহাদেৱে কামদেৱক পুনৰ পূৰ্বৰ ৰূপ ঘূৰাই দিছিল। এই ঠাইতে কামদেৱে নিজৰ ৰূপ পুনৰ লাভ কৰিছিল বাবে এই ৰাজ্যখনৰ নাম কামৰূপ হ'ল।



*তেজপুৰৰ দ' পৰ্বতীয়াৰ তোৰণ*

পৌৰাণিক সাহিত্যসমূহৰ মতে কামৰূপত নৰকাসুৰ, ভগদত্ত আদি প্ৰবল প্ৰতাপী ৰজাসকলে এটা সময়ত ৰাজত্ব কৰিছিল। এই পুথিসমূহত উল্লেখ আছে যে নৰকাসুৰে প্ৰাগ্‌জ্যোতিষপুৰত ৰাজত্ব কৰাৰ সময়ত **বাণ** নামৰ আন এজন পৰাক্ৰমী ৰজাই শোণিতপুৰত ৰাজত্ব কৰিছিল। শোণিতপুৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত আছিল। বৰ্তমানৰ তেজপুৰকে অতীতত শোণিতপুৰ বোলা হৈছিল। বাণ ৰজা শিৱভক্ত আছিল। এটি আখ্যান মতে বাণ ৰজাৰ জীয়েক **উষা** পৰমা সুন্দৰী আছিল। উষাক শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধই গন্ধৰ্ব বিবাহ কৰাইছিল। এই কাৰ্যত বাণ ৰজা ক্ষুন্ন হৈ অনিৰুদ্ধৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এই যুদ্ধত শ্ৰীকৃষ্ণই অনিৰুদ্ধৰ হৈ আৰু ভগৱান শিৱই বাণ ৰজাৰ হৈ যুদ্ধত অৱতীৰ্ণ হয়। সেয়েহে এই যুদ্ধক **হৰিহৰ যুদ্ধ** বোলা হয়। এই যুদ্ধত বাণ ৰজা পৰাস্ত হৈছিল।

### জানি থওঁ আহা ঃ

**শ্ৰীকৃষ্ণৰ এটি নাম হৰি। আকৌ শিৱক হৰ বুলিও কোৱা হয়। হৰি অৰ্থাৎ কৃষ্ণ আৰু হৰ অৰ্থাৎ শিৱ এই দুয়োজনৰ মাজত যুদ্ধ হৈছিল বাবে এই যুদ্ধক হৰিহৰৰ যুদ্ধ বুলি কোৱা হয়।**

আকৌ আন এটি আখ্যানমতে প্ৰাগৈতিহাসিক যুগত কামৰূপ ৰাজ্যৰ পুব দিশত আন এখন ৰাজ্য আছিল। সেই ৰাজ্যখনৰ নাম আছিল কুণ্ডিল বা বিদৰ্ভ। এই ৰাজ্যৰ ৰাজধানী আছিল কুণ্ডিল নগৰ। এতিয়া শদিয়া অঞ্চলেই তেতিয়াৰ কুণ্ডিল নগৰ। অতি পুৰণি কালত

সেই ৰাজ্যত ভীষ্মক নামে এজন প্ৰতাপী ৰজাই ৰাজত্ব কৰিছিল। ভীষ্মক ৰজাৰ ৰুক্মিণী নামৰ এজনী জীয়েক আছিল। আখ্যান মতে পশ্চিম দিশৰ দ্বাৰকাৰ পৰা শ্ৰীকৃষ্ণ আহি ৰুক্মিণীৰ পাণি গ্ৰহণ কৰিছিল। দ্বাৰকা বৰ্তমানৰ গুজৰাট ৰাজ্যত অৱস্থিত আছিল বুলি অনুমান কৰা হয়। শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ বিবাহৰ ঘটনাক লৈ মহাপুৰুষ শংকৰদেৱে **'ৰুক্মিণী হৰণ'** নাটক ৰচনা কৰিছিল।

ঠিক একেদৰে, নৰকাসুৰ, ভগদত্ত আদিৰ বিষয়েও কিছুমান আখ্যান, কিংবদন্তি মানুহৰ মাজত প্ৰচলন আছে। পিচে, এই আখ্যান বা কিংবদন্তিবোৰক আমি ইতিহাস বুলিব নোৱাৰোঁ। কিয়নো বাস্তৱত এইবোৰ কাহিনীৰ প্ৰমাণ বিচাৰি পোৱা টান। যিদৰে বুৰঞ্জী আৰু ইতিহাসৰ মাজত কিছু গুণগত পাৰ্থক্য আছে, ঠিক সেইদৰে **আখ্যান, কিংবদন্তি** আৰু **ইতিহাসৰ** মাজতো পাৰ্থক্য আছে। **আখ্যান** কেৱল ধৰ্মমূলক পুথিতহে পোৱা যায়। আনহাতে দেৱ-দেৱীৰ মহিমাৰ কথা উল্লেখ থকা কাহিনীবোৰকে **কিংবদন্তি** বোলে। ইয়াত কল্পনাৰ ৰহন থাকে। কিন্তু ইতিহাসত কল্পনাৰ ৰহন নাথাকে। ইতিহাস প্ৰকৃত সত্য ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত কোনো এটা জাতিৰ অতীতৰ ঘটনা প্ৰৱাহ, কলা-সংস্কৃতি, আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু ৰজা-প্ৰজাসকলোৰে কথা উল্লেখ থাকে।


এইখিনিতে এটা কথা জানি থোৱা ভাল যে তাহানিৰ প্ৰাগ্‌জ্যোতিষ বা কামৰূপ ৰাজ্যৰ ভৌগোলিক সীমা বিভিন্ন সময়ত বঢ়া-টুটা হৈছিল। সেই সময়ত সমগ্ৰ উত্তৰ-পূব ভাৰতৰ বিভিন্ন প্ৰান্তত ডবকা, হিড়িম্বা, মণিপুৰ, ত্ৰিপুৰা নামৰ কেইবাখনো উল্লেখযোগ্য ৰাজ্যৰ অৱস্থিতিৰ বিষয়ে জানিব পৰা যায়।

**ক্ৰিয়াকলাপ ঃ**

- **তোমালোকে নিজ নিজ অঞ্চলত প্ৰচলিত কিছুমান আখ্যান, কিংবদন্তি সংগ্ৰহ কৰা আৰু শ্ৰেণীকক্ষত আলোচনা কৰা।**
- **অতীতৰ কুণ্ডিল বা বিদৰ্ভ ৰাজ্যখন বৰ্তমান কোনখন ৰাজ্যৰ অৰ্ন্তগত?**

## পুৰণি অসমৰ ৰাজবংশসমূহ ঃ

তোমালোকে ইতিমধ্যে কুমাৰ ভাস্কৰ বৰ্মণৰ নাম শুনিছা। ভাস্কৰ বৰ্মণ কামৰূপৰ ৰজা আছিল। কামৰূপত বৰ্মণ বংশ প্ৰতিষ্ঠা হোৱাৰ আগলৈকে ইয়াৰ ইতিহাস কিছু অস্পষ্ট আছিল বুলি ক'ব পাৰি। পূৰ্বৰ শাসকসকলৰ ৰাজ ক্ষমতা সীমিত আছিল। বিভিন্ন সমলৰ পৰা জানিব পাৰি যে, নৰকাসুৰেই কামৰূপৰ প্ৰথম ঐতিহাসিক ৰজা। তেওঁ পূৰ্বৰ ৰজা ঘটকাসুৰক হত্যা কৰি কামৰূপৰ সিংহাসনত অধিষ্ঠিত হৈছিল। কথিত আছে যে গুৱাহাটীৰ নীলাচল পাহাৰত থকা কামাখ্যা দেৱীৰ মন্দিৰ আৰু মন্দিৰলৈ যোৱা বাটতো পোন প্ৰথমে নৰকাসুৰে নিৰ্মাণ কৰাইছিল। পিছে নৰকাসুৰৰ পৰৱৰ্তী ৰজাসকলৰ বিষয়ে বিতংকৈ জনা নাযায়। তথাপিও ভগদত্ত, বজ্ৰদত্তই নৰকাসুৰৰ পাছত ক্ৰমান্বয়ে কামৰূপৰ সিংহাসন আৰোহণ কৰিছিল বুলি জনা যায়। দুৰ্যোধনৰ আমন্ত্ৰণক্ৰমে ভগদত্তই কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰৱৰ সপক্ষে যুদ্ধ কৰিছিল। গুৱাহাটীত থকা



কামাখ্যা দেৱীৰ মন্দিৰ

দীঘলীপুখুৰীতো ভগদত্তই জীয়েক ভানুমতীৰ সয়ম্বৰৰ সময়ত খন্দোৱাইছিল বুলি কোৱা হয়।

**জানি থওঁ আহা ঃ**

**প্ৰাগজ্যোতিষ ৰাজ্যৰ প্ৰথম ৰজা আছিল মহীৰঙ্গ দানৱ। তেওঁ দানৱ বংশৰ প্ৰতিষ্ঠাতা। তেওঁৰ ৰাজধানীখনৰ নাম মইৰাংখ আছিল। মহীৰঙ্গৰ পাছত ক্ৰমে হটকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ আৰু ঘটকাসুৰ প্ৰাচীন অসমৰ ৰজা হৈছিল। নৰকাসুৰে দানৱ বংশৰ শেষ ৰজা ঘটকাসুৰক হত্যা কৰি কামৰূপৰ 'ৰাজপাটত উঠে আৰু ভৌম বংশ প্ৰতিষ্ঠা কৰে। নৰকাসুৰে কামৰূপৰ ৰাজ সিংহাসন দখলৰ পাছৰ পৰাই এই প্ৰান্তত আৰ্য-সংস্কৃতিৰ প্ৰভাৱ পৰে বুলি ইতিহাসবিদসকলে বিশ্বাস কৰে।**

## বৰ্মণ বংশ ঃ

আমি আগৰ পাঠৰ পৰা জানিব পাৰিছোঁ যে আনুমানিক চতুৰ্থ শতিকাত গুপ্তসকলে উত্তৰ ভাৰতত এক প্ৰধান ৰাজনৈতিক শক্তি স্বৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। সেই একেই সময়তে কামৰূপতো বৰ্মণবংশৰ অভ্যুদয় ঘটিছিল। উল্লেখ্য যে এই ৰাজবংশই কামৰূপত প্ৰায় ৩০০ বছৰ কাল ৰাজত্ব কৰিছিল। পুষ্য বৰ্মণ এই বংশৰ প্ৰতিষ্ঠাতা আৰু কুমাৰ ভাস্কৰ বৰ্মণ শ্ৰেষ্ঠ ৰজা। উল্লেখ আছে যে, ভাস্কৰ বৰ্মণৰ সৈতে উত্তৰ ভাৰতৰ সম্ৰাট হৰ্ষবৰ্ধনৰ সু-সম্পৰ্ক আছিল। হৰ্ষবৰ্ধনৰ ৰাজত্বকালতে হিউৱেন চাং নামৰ এজন বৌদ্ধ পৰিব্ৰাজক ভাৰতলৈ আহিছিল। তেওঁ ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্ম সম্পৰ্কে চৰ্চা কৰিছিল। তোমালোকে হয়তো জানি ভাল পাবা যে, ভাস্কৰ বৰ্মণৰ অনুৰোধত হিউৱেন চাঙে কামৰূপতো আহি কিছুকাল থাকে। এই বিষয়ে তেওঁ **চি-উ-কি** নামৰ পুথিত উল্লেখ কৰি গৈছে। ভাস্কৰ বৰ্মণে কামৰূপৰ সিংহাসন আৰোহণ কৰা সময়ৰ পৰা কামৰূপত **'ভাস্কৰাব্দ'** নামৰ এটি নতুন সময় সূচীৰ প্ৰচলন হয়। **'ডুবি'** আৰু **'নিধানপুৰ'** তামৰ ফলি ভাস্কৰ বৰ্মণৰ ৰাজত্ব কালত খোদিত কৰা হৈছিল।



ডুবি তামৰ ফলি

## হিউৱেন চাঙৰ টোকাত কামৰূপৰ বৰ্ণনা ঃ



হিউৱেন চাং

চীনা পৰিব্ৰাজক হিউৱেন চাঙে নালন্দা বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্ম সম্বন্ধে অধ্যয়ন কৰিছিল। সেই সময়তে ভাস্কৰ বৰ্মণে তেওঁক কামৰূপলৈ আমন্ত্ৰণ জনায়। ভাস্কৰ বৰ্মণৰ আমন্ত্ৰণ ৰক্ষা কৰি হিউৱেন চাং কামৰূপলৈ আহে আৰু প্ৰায় এমাহ কাল কামৰূপত থাকে। তেওঁৰ ভাৰত সম্বন্ধে ৰচনা কৰা 'চি-ইউ-কি' নামৰ গ্ৰন্থত কামৰূপ সম্বন্ধে বহুতো কথা লিখি থৈ গৈছে। এই লিখনিৰ পৰা আমি সেই সময়ৰ কামৰূপ সম্বন্ধে বহু কথা জানিব পাৰোঁ। হিউৱেন চাঙৰ টোকা মতে সেই সময়ত কামৰূপৰ পৰিধি প্ৰায় সোতৰশ মাইল আছিল। ইয়াৰ লোকসকল সহজ-সৰল আৰু চহকী আছিল। কামৰূপৰ লোকসকল স্মৃতি-শক্তিত প্ৰখৰ আৰু অধ্যয়নৰ প্ৰতি আগ্ৰহী আছিল। মধ্য ভাৰতৰ ভাষাতকৈ কামৰূপৰ ভাষা অলপ বেলেগ আছিল। ইয়াৰ জলবায়ু সেমেকা আৰু চেঁচা।

ইয়াৰ লোকসকলে নাৰিকল আৰু কঁঠালৰ খেতি কৰিছিল। তেওঁলোকে দেৱ-দেৱীৰো পূজা কৰিছিল। বৌদ্ধ ধৰ্মৰ প্ৰভাৱ ইয়াত নাছিল। ভাস্কৰ বৰ্মণ এজন গুণী-জ্ঞানী ৰজা আছিল। তেওঁ বৌদ্ধ নাছিল যদিও এই ধৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল আছিল। দূৰ-দূৰণিৰ পণ্ডিতসকলক ভাস্কৰ বৰ্মণে নিজ ৰাজ্যলৈ আমন্ত্ৰণ কৰি শ্ৰদ্ধা দেখুৱাইছিল। প্ৰাগ্‌জ্যোতিষপুৰ ৰাজ্য পৰ্বতমালাৰে সুৰক্ষিত আছিল। এই ৰাজ্যত কোনো ডাঙৰ নগৰ নাছিল। উত্তৰ ভাৰতৰ পৰা কামৰূপ হৈ চীনদেশলৈ যোৱা এক বাণিজ্যিক পথ আছিল।

### শালস্তম্ভ বংশ ঃ

বৰ্মণ বংশৰ পাছত শালস্তম্ভসকলে কামৰূপৰ সিংহাসন দখল কৰে। উল্লেখ আছে যে, এই বংশৰ ২১ জন ৰজাই কামৰূপত প্ৰায় তিনিশ বছৰ কাল ৰাজত্ব কৰিছিল। এই ৰাজবংশৰ প্ৰতিষ্ঠাতা শালস্তম্ভই কামৰূপ ৰাজ্যৰ ৰাজধানী তেজপুৰলৈ স্থানান্তৰ কৰি ঠাইখনৰ নাম **হাৰুপেশ্বৰ** ৰাখিছিল। শালস্তম্ভসকলে কামৰূপত ৰাজত্ব কৰি থকা সময়ত **'ইৎচিং'** নামৰ এজন চীনা পৰিব্ৰাজক ভাৰতলৈ আহিছিল। তেওঁৰ লিখনিত সেই সময়ত কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে নালন্দা অঞ্চললৈ (বৰ্তমান বিহাৰ) বিস্তৃত আছিল বুলি উল্লেখ পোৱা যায়।

শালস্তম্ভসকলৰ ৰাজত্ব কালত কামৰূপ ৰাজ্যই সকলো দিশৰ পৰা এক শক্তিশালী ৰাজ্যৰূপে স্বীকৃতি পাইছিল। শালস্তম্ভ বংশৰ ৰজাসকলে বিদ্বান লোকক সমাদৰ কৰিছিল। তেওঁলোক নিজে শৈৱপন্থী আছিল যদিও তান্ত্ৰিক ধৰ্ময়ো তেওঁলোকৰ ৰাজত্ব কালতে প্ৰসাৰতা লাভ কৰিছিল। উল্লেখ আছে যে শালস্তম্ভসকলে কামৰূপত ৰাজত্ব কৰি থকাৰ সময়ছোৱাত দাক্ষিণাত্যৰ পৰা নব্য হিন্দু ধৰ্মৰ প্ৰৱৰ্তক **শংকৰাচাৰ্য** কামৰূপলৈ আহিছিল। কামৰূপত তেওঁ পণ্ডিত **অভিনৱ গুপ্তৰ** লগত তৰ্ক যুদ্ধত লিপ্ত হৈছিল।

শালস্তম্ভ ৰাজবংশৰ ৰজাসকল বিভিন্ন মঠ-মন্দিৰ নিৰ্মাণ আৰু প্ৰজাহিতকৰ কাম-কাজ কৰাৰ ক্ষেত্ৰত আগবঢ়া আছিল। কলিঙ্গ, কৌশল, গৌড় আদি ৰাজ্যসমূহ তেওঁলোকৰ অধীনত থকাৰ সময়ত সেই ঠাইবোৰৰ পৰা যথেষ্ট সংখ্যক স্থাপত্যবিদ, গুণী-জ্ঞানী মানুহক কামৰূপলৈ আনিছিল। তাৰে কিছু সংখ্যকক ৰাজ্যখনত নিগাজীকৈ থাকিবলৈ অনুমতিও দিছিল। শালস্তম্ভ ৰজাসকলৰ এনেবোৰ কাৰ্যই অসমীয়া সভ্যতা-সংস্কৃতিৰ শ্ৰীবৃদ্ধিত যথেষ্ট সহায়ক হৈছিল।

### পালবংশ ঃ

শালস্তম্ভসকলৰ পাছত পাল নামৰ আন এটি ৰাজবংশই কামৰূপ ৰাজ্যৰ ৰাজপাটত উঠে। **ব্ৰহ্মপাল** এই ৰাজবংশৰ প্ৰতিষ্ঠাতা বুলি জনা যায়। এওঁলোকৰ ৰাজ্যৰ ৰাজধানী **দুৰ্জ্জয়নগৰ** আছিল বুলি উল্লেখ পোৱা যায়। এই নগৰখন ৰজা ৰত্নপালে প্ৰাগজ্যোতিষপুৰত নতুনকৈ স্থাপন কৰিছিল। এওঁলোকে কামৰূপত দশম শতিকাৰ পৰা দ্বাদশ শতিকাৰ মাজ ভাগলৈ শাসন কৰিছিল। পালসকলৰ ৰাজত্ব কালত কামৰূপ ৰাজ্যৰ পশ্চিম সীমাই উত্তৰ বংগক চুইছিল বুলি বিভিন্ন সমলৰ পৰা জানিবলৈ পোৱা যায়।

শালস্তম্ভসকলৰ দৰে পাল সকলো যোদ্ধা জাতি আছিল। পিছে তেওঁলোকে সিমান ৰাজ্য জয় কৰা নাছিল। পাল ৰাজবংশৰ ৰজাসকল নিজে বিদ্যানুৰাগী আছিল আৰু ব্ৰাহ্মণসকলক ভূমিদান কৰি ৰাজ্যখনত জ্ঞান চৰ্চাৰ এক পৰিৱেশ সৃষ্টি কৰাত গুৰুত্ব দিছিল। গুণী-জ্ঞানী লোকসকলক সততে স্থানীয় লোকসকলৰ মাজত বসতি কৰিবলৈ উৎসাহ যোগাইছিল। তেওঁলোক হৰ গৌৰীৰ উপাসক আছিল। বেপাৰ-বাণিজ্যত তেওঁলোকে গুৰুত্ব দিছিল।

ক্রিয়াকলাপ ঃ

- বৰ্মণ বংশই কামৰূপত প্ৰতিষ্ঠা লাভ কৰাৰ সময়ত উত্তৰ ভাৰতত কোনটো ৰাজবংশৰ অভ্যুদয় হৈছিল?
- হিউৱেন চাং আৰু ইৎচিং কোন দেশৰ পৰিব্ৰাজক আছিল?
- নালন্দা বিশ্ববিদ্যালয় বৰ্তমান কোনখন ৰাজ্যত অৱস্থিত?

## পুৰণি কামৰূপৰ আৰ্থ-সামাজিক অৱস্থা ঃ

### (ক) অৰ্থনৈতিক অৱস্থা ঃ

পুৰণি কামৰূপৰ অধিবাসীসকল খেতিৰ ওপৰত নিৰ্ভৰশীল আছিল। খেতি মূলত জুম প্ৰথাৰে কৰা হৈছিল। ইয়াৰ মাটি দ' আৰু সাৰুৱা আছিল সেয়ে বিভিন্ন ধৰণৰ শস্য যেনে— ধান, সৰিয়হ, মৰাপাট, কুঁহিয়াৰ, নানা বিধ ফল-মূল, শাক-পাচলি উৎপন্ন হৈছিল। হিউৱেন চাঙৰ 'চি ইউ কি'ত এই ৰাজ্যত জলসিঞ্চনৰ জৰিয়তে খেতি কৰাৰ কথাও উল্লেখ কৰিছে। ইয়াৰ উপৰি বিভিন্ন ধৰণৰ ফল-মূল যেনে— কঁঠাল, নাৰিকল, আম, তামোল-পাণৰ খেতি কৰাৰ কথাও উল্লেখ পোৱা যায়। এই ৰাজ্যৰ পাহাৰীয়া অঞ্চলত বাস কৰা নানা জাতি-জনগোষ্ঠীয়ে তেওঁলোকৰ উৎপাদিত কৃষিজাত সামগ্ৰীসমূহ বাহিৰলৈ ৰপ্তানি কৰিছিল। ইয়াৰ ভিতৰত প্ৰধান আছিল তেজপাত।

আজিৰ দৰে অতীজ কামৰূপত এৰী, মুগা, পাট, কপাহী কাপোৰ তৈয়াৰ হৈছিল। আনকি ৰামায়ণ আৰু অৰ্থশাস্ত্ৰতো কামৰূপৰ পাট কাপোৰৰৰ কথা উল্লেখ আছে। মাছ মৰা, নৈৰ পৰা সোণ উলিওৱা, সোণ গঢ়া আৰু কাপোৰ বোৱা প্ৰাচীন কামৰূপৰ লোকসকলৰ কেইটিমান উল্লেখযোগ্য বৃত্তি আছিল। ৰূপ, বাঁহ, বেতৰ শিল্পতো কামৰূপ এখন আগবঢ়া ৰাজ্য আছিল। ইটা তৈয়াৰ কৰা শিল্প আৰু প্ৰস্তৰ শিল্প কাৰ্যতো কামৰূপে ভাৰতৰ আন ৰাজ্যবোৰৰ ভিতৰতে আগ স্থান পাইছিল। আভ্যন্তৰীণ আৰু বৈদেশিক বাণিজ্যতো কামৰূপ ৰাজ্য আগবঢ়া আছিল। তিব্বত, ভূটান, চীন, শ্ৰীলংকা আৰু দক্ষিণ-পূব এছিয়াৰ দেশবোৰৰ সৈতে কামৰূপৰ বাণিজ্যিক সম্পৰ্ক আছিল। বিভিন্ন বৈদেশিক ৰাজ্যবোৰৰ লগত জল পৰিবহনৰ জৰিয়তে বেপাৰ-বাণিজ্য কৰা হৈছিল। পৰিবহন ব্যৱস্থাত ব্ৰহ্মপুত্ৰ আৰু গংগা নৈকে প্ৰধানতঃ ব্যৱহাৰ কৰা হৈছিল।

### সামাজিক অৱস্থা ঃ

প্ৰাচীন কামৰূপৰ সামাজিক ভেটিটো সম্পূৰ্ণৰূপে হিন্দু বৰ্ণাশ্ৰম ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত নাছিল যদিও ব্ৰাহ্মণসকলক সমাজত উচ্চ স্থান দিয়া হৈছিল। তেওঁলোকে ৰজাৰ পৰা ভূমি লাভ কৰাৰ উপৰি ৰাজ্যখনৰ উচ্চ পদসমূহ অলংকৃত কৰিছিল। বৰ্ণাশ্ৰম ধৰ্মৰ নীতিসমূহ এই অঞ্চলত কঠোৰভাৱে বলৱৎ কৰাৰ ক্ষেত্ৰত কিছু বাধা আহি পৰিছিল। কিয়নো অতি প্ৰাচীন কালৰ পৰাই অসমখন অনাৰ্য লোকসকলৰ অধ্যুষিত অঞ্চল আছিল। আৰ্যসংস্কৃতিৰ যদিও এই অঞ্চলত বহু বছৰ আগতে প্ৰৱেশ ঘটিছিল তথাপি স্থানীয় লোকৰ ৰীতি-নীতি, খাদ্যাভ্যাস, ধৰ্মীয় বিশ্বাস আদিৰ লগত সমিল মিল ঘটাইহে ইয়াত বৰ্ণাশ্ৰম ধৰ্মৰ নীতিসমূহ বলৱৎ কৰিব পৰা হৈছিল। সেয়েহে ইয়াত জাতি-ভেদ প্ৰথা কঠোৰভাৱে প্ৰচলন নাছিল।

পৰিয়ালেই সমাজৰ ক্ষুদ্ৰতম গোট আছিল। যৌথ পৰিয়ালৰ প্ৰচলনেই সৰ্বাধিক আছিল। আঢ্যৱন্ত পৰিয়ালৰ মহিলাসকলে বিদ্যা আহৰণ কৰিবলৈ সুবিধা পাইছিল। সতী দাহ আৰু পৰ্দা প্ৰথাৰ প্ৰচলন নাছিল। অসবৰ্ণ বিবাহৰ প্ৰচলনো সীমিত আছিল। জাতি বিশেষে বাল্য বিবাহ, বহু বিবাহ প্ৰথা আৰু বিধবাৰ পুনৰ বিবাহৰ প্ৰচলন আছিল।

**জানি থও আহা ঃ**

- স্বামীৰ মৃত্যুত পত্নীয়েও স্ব-ইচ্ছাই চিতাত উঠি মৃত্যুবৰণ কৰা প্ৰথাই সতীদাহ প্ৰথা।
- বেলেগ বেলেগ বৰ্ণৰ মাজত হোৱা বিবাহেই হ'ল অসবৰ্ণ বিবাহ।

সেই সময়ত মানুহৰ প্ৰধান আহাৰ আছিল ভাত। তেতিয়াৰ দিনত মানুহে লোণৰ অভাৱত কলগছৰ পৰা তৈয়াৰী খাৰ (কলাখাৰ) খাইছিল। তদুপৰি গাখীৰৰ পৰা তৈয়াৰী বিবিধ খাদ্য, নানা বিধ পাচলি, ফল-মূল, মাছ, মাংসও এওঁলোকৰ খাদ্য তালিকাৰ অন্তৰ্ভুক্ত আছিল। দৈনন্দিন জীৱনত ইয়াৰ অধিবাসীসকলে মূলতঃ কপাহী কাপোৰ পৰিধান কৰিছিল। পাট কাপোৰ ধনী মানুহখিনিয়ে ব্যৱহাৰ কৰিছিল। নানা বিধ সোণ-ৰূপৰ আ-অলংকাৰ ইয়াৰ অধিবাসীসকলে পিন্ধিছিল আৰু সুগন্ধি তেল ব্যৱহাৰ কৰিছিল।

### মনত ৰাখিবলগীয়া কথা ঃ

- কামৰূপৰ প্ৰাচীন নাম আছিল প্ৰাগজ্যোতিষ।
- প্ৰাচীন প্ৰাগজ্যোতিষত অতি উচ্চমানৰ জ্যোতিষ চৰ্চা হৈছিল।
- এটা সময়ত অসমখনেই কামৰূপ নামেৰে জনাজাত আছিল।
- মহাকাব্য ৰামায়ণ আৰু মহাভাৰতত কামৰূপ ৰাজ্যৰ কথা উল্লেখ পোৱা যায়।
- যোগিনী তন্ত্ৰমতে কামৰূপ ৰাজ্যখন চাৰি ভাগত বিভক্ত আছিল— ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ, আৰু সৌমাৰপীঠ।
- পোন প্ৰথমে পুৰণি কামৰূপত 'দানৱ' বা 'অসুৰ' বংশীয় ৰজাসকলে ৰাজত্ব কৰিছিল।
- কামৰূপৰ বাদেও এই অঞ্চলত বহুতো সৰু সৰু ৰাজ্য আছিল।
- বৰ্মণ বংশৰ ৰজা কুমাৰ ভাস্কৰবৰ্মণৰ ৰাজত্ব কালত চীনা পৰিব্ৰাজক হিউৱেন চাং কামৰূপলৈ আহিছিল।
- হিউৱেন চাঙৰ টোকা কামৰূপৰ ইতিহাসৰ এক অমূল্য সম্পদ।
- উত্তৰ ভাৰতৰ প্ৰখ্যাত সম্ৰাট হৰ্ষবৰ্ধন কামৰূপৰ ৰজা ভাস্কৰ বৰ্মণৰ সমসাময়িক আছিল।
- বৰ্মণ বংশৰ পাছত শালস্তম্ভ, পালবংশৰ ৰজাসকলে কামৰূপ ৰাজ্যত ৰাজত্ব কৰে।
- শালস্তম্ভসকলৰ সময়ত হাৰুপেশ্বৰ কামৰূপৰ ৰাজধানী আছিল।
- পুৰণি কামৰূপ ৰাজ্যৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থা উন্নত আছিল।

## অনুশীলনী ঃ

১। **উত্তৰ লিখা ঃ**

(ক) নৰকাসুৰ কোন আছিল?

(খ) বৰ্মণ বংশৰ প্ৰতিষ্ঠাতা কোন আছিল?

(গ) হিউৱেন চাঙে কোন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ আহিছিল?

(ঘ) অভিনৱ গুপ্ত কোন আছিল?

(ঙ) পুৰণি কামৰূপ ৰাজ্য কেইটা ভাগত বিভক্ত আছিল?

(চ) দানৱ বংশীয় প্ৰথম ৰজাজনৰ নাম কি আছিল?

২। শুদ্ধ/অশুদ্ধ বিচাৰ কৰা ঃ

(ক) ৰামায়ণ, মহাভাৰত হ'ল হিন্দু ধৰ্মৰ দুখন মহাকাব্য।

(খ) নৰকাসুৰৰ বংশটোৰ নাম দানৱ বা অসুৰ বংশ।

(গ) বৰ্মণ বংশৰ আদি ৰজা হ'ল পুষ্য বৰ্মণ।

(ঘ) বাণ ৰজাৰ জীয়ৰীৰ নাম আছিল উষা।

(ঙ) ইৎচিঙে চি-উ-কি পুথিখন ৰচনা কৰিছিল।

৩। ক্ৰমানুসাৰে সজোৱা—

বৰ্মণ বংশ, দানৱ বংশ, পাল বংশ, শালস্তম্ভ বংশ, ভৌম বংশ।

৪। কোন কাৰ সমসাময়িক আঁচ টানি মিলোৱা—

| | |
|---|---|
| কুমাৰ ভাস্কৰ বৰ্মণ | বাণ ৰজা |
| সমুদ্ৰগুপ্ত | দুৰ্যোধন |
| নৰকাসুৰ | হৰ্ষবৰ্ধন |
| ভগদত্ত | অভিনৱ গুপ্ত |
| শংকাৰাচাৰ্য | পুষ্য বৰ্মণ |

৫। চমু টোকা লিখা ঃ

(ক) হৰিহৰ যুদ্ধ (খ) শালস্তম্ভ বংশ (গ) পালবংশ (ঘ) কুণ্ডিল ৰাজ্য (ঙ) কামৰূপৰ আৰ্থ-সামাজিক অৱস্থা।

৬। ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা।

(ক) আখ্যান, কিংবদন্তি আৰু ইতিহাসৰ মাজত পাৰ্থক্য।

(খ) ভাস্কৰ বৰ্মণ আৰু হৰ্ষবৰ্ধনৰ সম্পৰ্ক।

(গ) পুৰণি কামৰূপ ৰাজ্যৰ অধিবাসীসকলৰ খাদ্য আৰু সাজপাৰ।

৭। পুৰণি কামৰূপ ৰাজ্যৰ মানচিত্ৰত থকা ঠাইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

✧✧✧✧✧✧